# REGIONAL NEWS UNIT

## AKASHVANI, GUWAHATI

0000000000

**Date :** 13-OCT-2025
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

### HEADLINES

::::::::::::::::::

১। ৰাজ্যখনৰ চিকিৎসালয়সমূহৰ উন্নীতকৰণৰ বাবে ৪ হাজাৰ ২৮৭ কোটি টকা ব্যয়ত অসম চৰকাৰৰ অনুমোদন।

২। চৰকাৰে অহা ৫ বছৰত ২ লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা কৰিছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ প্ৰকাশ।

৩। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য দিবলৈ আজি ছিংগাপুৰৰ তিনিজন প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ।

৪। আমেৰিকাৰ জুৱেল মকয়েৰ, পিটাৰ হয়িট আৰু ফ্ৰান্সৰ ফিলিপ এঘিয়নলৈ চলিত বৰ্ষৰ অৰ্থনীতিৰ নবেল বঁটা।

*আৰু*

৫। ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে দিল্লী টেষ্টত জয়লাভৰ বাবে ভাৰতক ১২১ ৰাণৰ প্ৰয়োজন। চতুৰ্থ দিনৰ সামৰণিত ভাৰতৰ দ্বিতীয় ইনিংছত ১ উইকেটৰ বিনিময়ত ৬৩ ৰাণ সংগ্ৰহ।

ooooo

অসম চৰকাৰে ৰাজ্যখনৰ চিকিৎসালয়সমূহৰ উন্নীতকৰণৰ বাবে চাৰি হাজাৰ ২৮৭ কোটি টকা ব্যয়ত অনুমোদন জনাইছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যম যোগে এই বিষয়ে প্ৰকাশ কৰিছে। আস্থা শীৰ্ষক পৰিকল্পনাৰ অংশ হিচাপে এই পদক্ষেপ গ্ৰহণ কৰা হ'ব। ইয়াৰ অধীনত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালক অত্যাধুনিক সা-সুবিধাৰে পুনৰ নিৰ্মাণ কৰা হ'ব। একেদৰে ডিব্ৰুগড় আৰু শিলচৰ চিকিৎসা মহাবিদ্যালয়ত স্মাৰ্ট ক্লাছ আৰু আধুনিক পৰীক্ষাগাৰ নিৰ্মাণ কৰা হ'ব। শ্ৰীমন্ত শংকৰদেৱ স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়ত ডিজিটেল আৰু শৈক্ষিক উন্নয়নৰ বাবেও পদ লোৱা হৈছে। এই পৰিকল্পনাৰ অধীনত চিকিৎসক, নাৰ্চ আৰু পেৰামেডিকেল কৰ্মীসকলক প্ৰশিক্ষণ আৰু দক্ষতা বিকাশৰ ব্যৱস্থা কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ooooo

এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল পৰহিলৈ ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰি কয়, যে সেইদিনা দিনৰ চাৰে ১০ বজাত সংশ্লিষ্ট ৱেবছাইটত প্ৰাৰ্থীসকলে ফলাফলসমূহ লাভ কৰিব। তেওঁ লগতে ১৫ৰ পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা

কৰা হ'ব বুলি প্ৰকাশ কৰে। অক্টোবৰৰ ভিতৰত ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে।

ৰাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। নৱেম্বৰ মাহত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

**বাইট**

ooooo

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য দিবলৈ আজি ছিংগাপুৰৰ তিনিজন প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জাঅ'লাংছাত নাৰ্জাৰী নামৰ এই লোককেইজনক এছ্ আই টিয়ে  সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়। এই সন্দৰ্ভত এছ্ আই টিৰ মুৰব্বী মুন্না প্ৰসাদ গুপ্তাই এইদৰে কয়-

*(বাইট ঃ মুন্না)*

ইপিনে মৰমী দাসৰ নেতৃত্বত এছ্ আই টিৰ এটা দল আজি জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিত বাসগৃহত উপস্থিত হৈ ভিছাৰা পৰীক্ষাৰ প্ৰতিবেদন সম্পৰ্কে পৰিয়ালক অৱগত কৰিছে। অৱশ্যে এই প্ৰতিবেদন সন্দৰ্ভত আৰক্ষীয়ে ৰাজহুৱাকৈ কোনো তথ্য সদৰি কৰা নাই। এই তদন্ত প্ৰক্ৰিয়া ক্ষীপ্ৰ গতিত আগবাঢ়িছে বুলি ইতিমধ্যে ৰাজ্য চৰকাৰে সদৰি কৰিছে। তদন্ত প্ৰক্ৰিয়া প্ৰয়োজনতকৈ বেছি খৰতকীয়া কৰিলে তদন্ত আধৰুৱা হোৱাৰ আশংকা থকা হেতুকে জনসাধাৰণক ধৈৰ্য্য সহকাৰে বিচাৰ প্ৰক্ৰিয়াৰ সামৰণিৰ বাবে অপেক্ষা কৰিব অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে আহ্বান জনাইছে।

*(বাইট ঃ মোমিন)*

এই ঘটনা সন্দৰ্ভত এছ্ আই টিয়ে কাইলৈ ৰাজ্যৰ ১৩ গৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে বৈঠকত মিলিত হ'ব। এই ব্যক্তিসকলৰ ভিতৰত সাংবাদিক মনোজ কুমাৰ গোস্বামী, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্য, সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী, ডাঃ হিতেশ বৰুৱা, সাহিত্যিক ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী আৰু উদীয়মান গীতিকাৰ ৰাহুল গৌতম শৰ্মাও আছে।

জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী শতাব্দী বৰাৰো আজি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ভাষ্য গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা এই তিনিজনৰ লগতে ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতা নামৰ প্ৰবাসী অসমীয়াজন এছ্ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি নিশা ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি ভাষ্য দিবলৈ নহা ছিংগাপুৰৰ ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী সকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব বুলি সকিয়াই দিছিল। মুখ্যমন্ত্ৰীয়ে তেওঁলোকক স্বেচ্ছাই আহি ভাষ্য দি আইনী প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাত সহযোগ

আগবঢ়াবলৈ আহ্বান জনাইছিল। ড° শৰ্মাই কেন্দ্ৰীয় ফৰেণচিক বিজ্ঞান গৱেষণাগাৰে জুবিন গাৰ্গৰ ভিছেৰা প্ৰতিবেদন দিয়াৰ পাছত এছ আই টিয়ে তদন্তৰ নিৰ্দিষ্ট গতি লাভ কৰিছে বুলি উল্লেখ কৰি কম দিনৰ ভিতৰতে আদালতত সকলো কথা প্ৰকাশ কৰা হ'ব বুলি জানিবলৈ দিছে। এই ঘটনাৰ তদন্তক লৈ অসম চৰকাৰ, যিদৰে সক্ৰিয় হৈ আছে, সেইদৰে ছিংগাপুৰ আৰক্ষীয়েও সক্ৰিয়ভাৱে তদন্ত চলাই আছে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে, এছ আই টিয়ে জুবিন গাৰ্গৰ সৈতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত বিভিন্নজনক সোধাপোছা কৰি ভাষ্য গ্ৰহণ কৰিছে। বিশেষ তদন্তকাৰী গোটে কালি অৰুণ গাৰ্গৰ ভাষ্য গ্ৰহণ কৰে। জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰত গ্ৰেপ্তাৰ হোৱা শ্যামকানু মহন্ত, সিদ্ধাৰ্থ শৰ্মাকে ধৰি সাতোজনৰে আৰক্ষীৰ জিম্মাৰ ম্যাদ শীঘ্ৰে অন্ত পৰিব। আৰক্ষীৰ জিম্মাৰ ম্যাদ অন্ত পৰাৰ লগে লগে আটাইকে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হ'ব।

ooooo

জনতাৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত এইবাৰ দীপাৱলী উদযাপনক লৈ ৰাজ্যৰ একাংশ সংগঠনে বাধা আৰোপ কৰাত বৰপেটাৰ আতচবাজী উদ্যোগৰ লগত জড়িত লোকসকলৰ ব্যৱসায়ত অনিশ্চয়তাই দেখা দিছে। এনে সময়তে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই জুবিন গাৰ্গৰ আদৰ্শৰে থলুৱা লোকৰ উদ্যোগটোৰ প্ৰতি লক্ষ্য ৰাখি ৰাইজক আতচবাজী সংগ্ৰহ কৰিবলৈ আহ্বান জনোৱাত উদ্যোগীসকলে সন্তোষ প্ৰকাশ কৰিছে। এই সন্দৰ্ভত বৰপেটা আতচবাজী উদ্যোগৰ সভাপতি গোপজিৎ পাঠকে কয় যে অকালতে হেৰাই যোৱা শিল্পীগৰাকীৰ প্ৰতি সন্মান জনাই তেওঁলোকে এইবাৰ শব্দবিহীন আতচবাজী প্ৰস্তুত কৰিছে।

ooooo

আমেৰিকাৰ নৰ্থ ৱেষ্টাৰ্ণ বিশ্ববিদ্যালয়ৰ অধ্যাপক জুৱেল মকয়েৰ, কলেজ দ্য ফ্ৰান্স আৰু লণ্ডন স্কুল অব ইকোনমিকছৰ অধ্যাপক ফিলিপ এঘিয়ন আৰু আমেৰিকাৰ ব্ৰাউন বিশ্ববিদ্যালয়ৰ অধ্যাপক পিটাৰ হয়িটলৈ এই বছৰৰ অৰ্থনীতিৰ নবেল বঁটা আগবঢ়োৱা হৈছে। ৰয়েল ছুইডিচ একাডেমীয়ে আজি ষ্টকহ'মত প্ৰকাশ কৰা অনুসৰি উদ্ভাৱনী শক্তি আৰু গঠনমূলক বিঘটনেৰে কিদৰে অৰ্থনীতিৰ বিকাশ সম্ভৱ সেই বিষয়ে লাভ কৰা সফলতাৰ বাবে এই তিনিগৰাকী অধ্যাপকক এইবাৰৰ অৰ্থনীতিৰ নবেল পুৰস্কাৰৰ বাবে বাছনি কৰা হৈছে। এই পুৰস্কাৰৰ বাবদ এই অৰ্থনীতিবিদ কেইগৰাকীয়ে ১১ নিযুত ছুইডিচ ক্ৰ'নাৰ বা ১ দশমিক ২ নিযুত মাৰ্কিন ডলাৰ মূল্যৰ পুৰস্কাৰৰ ধন লাভ কৰিব। নবেল কমিটীয়ে প্ৰকাশ কৰা অনুসৰি অধ্যাপক জুৱেল মকয়েৰে প্ৰযুক্তিগত উন্নতিৰ মাজেৰে বহনক্ষম বিকাশৰ আৱশ্যকতা সম্পৰ্কত যি অভিনৱ সূত্ৰ আগবঢ়াইছে তাৰ বাবেই তেওঁক এই বঁটাৰ বাবে বাছনি কৰা হৈছে। আনহাতে, ফিলিপ এঘিয়ন আৰু পিটাৰ হয়িতে উদ্ভাৱনী শক্তি আৰু গঠনমূলক বিঘটনেৰে অৰ্থনৈতিক বৃদ্ধি লাভৰ ক্ষেত্ৰত আগবঢ়োৱা তত্বৰ স্বীকৃতিস্বৰূপে তেওঁলোক দুগৰাকীকো নবেল পুৰস্কাৰৰ বাবে বাছনি কৰা হৈছে। উল্লেখযোগ্য যে অৰ্থনীতিৰ নবেল বঁটাই হৈছে যিকোনো এটা বছৰৰ অন্তিমটো নবেল বঁটা।

ooooo

ৰাজ্য চৰকাৰে সমগ্ৰ ৰাজ্যজুৰি **শুশ্ৰূষা সেঁতু** শীৰ্ষক বিধানসভা সমষ্টি ভিত্তিক স্বাস্থ্য শিবিৰ মুকলি কৰি চিকিৎসা সেৱা প্ৰদান কৰিছে। কামৰূপ মহানগৰ জিলাৰ পাঁচটা বিধানসভা সমষ্টিত এই শিবিৰ অনুষ্ঠিত হ'ব। শিবিৰসমূহত ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীৰ প্ৰাথমিক পৰ্যায়ত ৰোগ নিৰ্ণয় আৰু বিনামূলীয়া চিকিৎসা তথা

পৰামৰ্শ প্ৰদান কৰা হ'ব। নিউ গুৱাহাটী সমষ্টিৰ বাবে কাইলৈ চানমাৰিৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠানত শিবিৰ মুকলি কৰা হ'ব। একেদৰে গুৱাহাটী ছেণ্ট্ৰেল বিধানসভা সমষ্টিৰ বাবে ১৬ অক্টোবৰত আৰ্য বিদ্যাপীঠ মহাবিদ্যালয় খেলপথাৰত আৰু ডিমৰীয়া সমষ্টিৰ বাবে ২৪ অক্টোবৰত ডিমৰীয়াত এই শিবিৰ অনুষ্ঠিত হ'ব। দিছপুৰ সমষ্টিৰ বাবে ৩১ অক্টোবৰত দক্ষিণ বেলতলা উচ্চ মাধ্যমিক বিদ্যালয়ত শিবিৰ মুকলি কৰা হ'ব।

ডিমা হাচাও জিলাৰ এন এল দাউলাগুপু ক্ৰীড়া প্ৰকল্পত ১৫ অক্টোবৰত এনে ধৰণৰ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হ'ব। এই শিবিৰত কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকে ১৮ বছৰৰ তলৰ ল'ৰা-ছোৱালীক চিকিৎসা সেৱা আগবঢ়াব।

০০০০০

শিশুৰ সম্পূৰ্ণ সুৰক্ষাৰ বাবে ৰাজ্যৰ ২৬ খন জিলাত কালিৰেপৰা তিনিদিনীয়া কাৰ্যসূচীৰে উপ-ৰাষ্ট্ৰীয় পলিঅ' প্ৰতিষেধক প্ৰদান কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

গোৱালপাৰা জিলাতো ৫ বছৰ বয়সৰ ভিতৰৰ মুঠ এক লাখ ৯৬ হাজাৰ শিশুক এই বিশেষ অভিযানৰ জৰিয়তে পলিঅ' প্ৰতিষেধক প্ৰদান কৰিবলৈ লোৱা হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলাত কালি প্ৰতিষেধক প্ৰদান কাৰ্যসূচীৰ প্ৰথমদিনা প্ৰায় ৬৫ শতাংশ শিশুক পলিঅ' দিয়া হয়। জিলাখনৰ ৩২৮ খন ঠাইত এই কাৰ্যসূচীত এহেজাৰ ৭৮ গৰাকী স্বাস্থ্যকৰ্মীয়ে ৫১ হাজাৰ ৭২৮ টি শিশুক প্ৰতিষেধক প্ৰদান কৰে। জিলাখনৰ মুঠ ৮০ হাজাৰ শিশুক এই অভিযানৰ জৰিয়তে সামৰি লোৱা হৈছে। ওদালগুৰি জিলাত এই অভিযানৰ অধীনত কাইলৈ পৰ্যন্ত এক লাখ ছহেজাৰ ৪৬৭ টি শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। চিৰাং জিলাত ৬০ হাজাৰ ২৪৬ টি শিশুক এই প্ৰতিষেধক প্ৰদানৰ লক্ষ্য লোৱা হৈছে। দৰং জিলা স্বাস্থ্য বিভাগৰ উদ্যোগত ৫ বছৰ বয়সৰ তলৰ এক লাখ ৩৮ হাজাৰ ৭৬৩টা শিশুক পলিঅ' প্ৰতিষেধক প্ৰদান কৰা হ'ব। তদুপৰি ৫৩টা ভ্ৰাম্যমান প্ৰতিষেধক প্ৰদানকাৰী দলে দুৰ্গম আৰু যাতায়াতৰ অসুবিধা থকা স্থানলৈ গৈ প্ৰতিষেধক প্ৰদান কৰিব।

০০০০০

বাৰেৰহণীয়া কাৰ্যসূচীৰে আজি ৩৭ সংখ্যক মৰিগাঁও জিলা দিৱস উদযাপন কৰা হৈছে। এই উপলক্ষে মৰিগাঁও জিলাৰ বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ প্ৰতিফলনৰ লগতে অসমৰ সাংস্কৃতিক ঐতিহ্য প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হয়। ব্ৰহ্মপুত্ৰৰ বুকুৰ মাজত আয়োজিত আজিৰ কাৰ্যসূচীত বিধায়ক ৰমাকান্ত দেউৰী, আছিদ মহম্মদ নাজৰ, জিলা আয়ুক্ত অনামিকা তিৱাৰী, আৰক্ষী অধীক্ষক হেমন্ত কুমাৰ দাসকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশ লয়। বিধায়ক শ্ৰীদেউৰীয়ে ১৯৪২ৰ আন্দোলনত ছহিদ হোৱা মৰিগাঁৱৰ তিনিগৰাকী মুক্তিযুঁজাৰু - হেমৰাম পাটৰ, গুণাভিৰাম বৰদলৈ আৰু তিলক ডেকাৰ আৱক্ষ মূৰ্তিত মাল্যাৰ্পণ কৰে। শিল্পী জুবিন গাৰ্গৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই আৰম্ভ কৰা অনুষ্ঠানত বৰগীত, জিকিৰ আদিও পৰিবেশন কৰা হয়। ব্ৰহ্মপুত্ৰৰ বুকুত যন্ত্ৰচালিত নাৱৰ শোভাযাত্ৰা অনুষ্ঠানৰ বিশেষ আকৰ্ষণ আছিল। জিলা দিৱসৰ লগত সংগতি ৰাখি প্ৰাকৃতিক সৌন্দৰ্যৰে পৰিবেষ্টিত লাহৰীচৰক বনভোজস্থলী হিচাপে আনুষ্ঠানিকভাৱে স্বীকৃতি দিয়া হয়।

০০০০০

ধেমাজি জিলাৰ জোনাই সমজিলা আৰক্ষীয়ে আজি স্থানীয় দল-সংগঠনৰ সহযোগত জোনাইৰ কুলি তিনিআলিৰ পৰা নিচাযুক্ত সামগ্ৰীসহ দুজন সৰবৰাহকাৰীক আটক কৰে। চিমেনচাপৰিৰ পৰা জোনাই হৈ

অৰুণাচল প্ৰদেশৰ আলঙলৈ সামগ্ৰীখিনি লৈ যোৱাৰ সময়তে আৰক্ষীয়ে সৰবৰাহকাৰী দুজনক আটক কৰাৰ লগতে তেওঁলোকে ব্যৱহাৰ কৰা ইন'ভা বাহনখনো জব্দ কৰে।

ooooo

দৰং জিলা প্ৰশাসনে ছিপাঝাৰ গৰুখুঁটি বহুমুখী কৃষি প্ৰকল্পৰ সম্প্ৰসাৰিত স্থানৰ চৰকাৰী ভূমি দখলমুক্ত কৰিবলৈ উচ্ছেদ অভিযানৰ প্ৰস্তুতি চলাইছে। দৰং জিলাৰ আয়ুক্ত পৰাগ কুমাৰ কাকতিয়ে জানিবলৈ দিয়া মতে অঞ্চলটোৰ তিনি নম্বৰ ধলপুৰ গাঁৱৰ ২৫০ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰাৰ বাবে পৰহিলৈ উচ্ছেদ অভিযান চলোৱাৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি দখলীকৃত চৰকাৰী ভূমিত থকা ১৬৭টা পৰিয়াললৈ এমাহ পূৰ্বে জাননী জাৰি কৰা হৈছিল। এই জাননীৰ প্ৰত্যুত্তৰত নিজৰ ভূমিৰ অধিকাৰ বিচাৰি কোনেও এই পৰ্যন্ত প্ৰশাসনক আবেদন জনোৱা নাই বুলি আয়ুক্তগৰাকীয়ে স্পষ্ট কৰি দিয়ে। উল্লেখযোগ্য যে গৰুখুঁটি কৃষি প্ৰকল্পৰ বাবে ইতিমধ্যে ৮ হাজাৰ বিঘা চৰকাৰী ভূমি দখলমুক্ত কৰা হৈছে।

ooooo

বন বিভাগৰ দলে আজি বৰপেটা ৰোড ৰে'ল ষ্টেচনত অভিযান চলাই দুপৰীয়া উজনিমুৱা বাংগালুৰু-গুৱাহাটী এক্সপ্ৰেছ ৰে'লৰ পৰা বনৰৌৰ বৃহৎ পৰিমাণৰ ছাল আৰু অংগ জব্দ কৰে। আঠখন মোনাত ভৰাই অনা এই সামগ্ৰীসমূহৰ ওজন প্ৰায় ২০০ কিলোগ্ৰাম বুলি বন বিভাগৰ সূত্ৰই প্ৰকাশ কৰিছে। এই ঘটনাত জড়িত থকাৰ অভিযোগত এগৰাকী মহিলাসহ চেন্নাইৰ তিনিজন লোকক আটক কৰা হৈছে। জব্দ কৰা বনৰৌৰ ছাল আৰু অংগসমূহৰ মূল্য কেইবা কোটি টকা হ'ব বুলি বন বিভাগে প্ৰকাশ কৰিছে। সম্প্ৰতি লোক কেইজনক সোধাপোছা কৰি থকা হৈছে।

ooooo

ৱেষ্ট ইণ্ডিজৰ বিৰুদ্ধে চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন টেষ্টত জয়ৰ বাবে প্ৰয়োজনীয় ১২১ ৰাণৰ লক্ষ্য অনুসৰণ কৰি ভাৰতে নিজৰ দ্বিতীয় ইনিংছত আজি চতুৰ্থ দিনৰ খেল শেষ হোৱাৰ পৰলৈকে এটা উইকেটৰ বিনিময়ত ৬৩ ৰাণ সংগ্ৰহ কৰিছে।  চতুৰ্থ দিনৰ খেলৰ অন্তত কে এল ৰাহুল ২৫ আৰু সাই সূদৰ্শন  ৩০ ৰানত অপৰাজিত হৈ আছিল। ইয়াৰ পূৰ্বে ৱেষ্ট ইণ্ডিজে নিজৰ দ্বিতীয়  ইনিংছত ৩৯০ ৰানত সামৰে। দলটোৰ হৈ জন কেম্পবেলে ১১৫, সাই হোপে ১০৩ আৰু জাষ্টিন গ্ৰীভছে ৫০ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ কুলদীপ য়াদৱ আৰু যশপ্ৰীত বুমৰাই ৩ টাকৈ আৰু মহম্মদ চিৰাজে দুটা উইকেট দখল কৰে। কাইলৈ খেলৰ পঞ্চম তথা অন্তিম দিনা ভাৰতক জয়ৰ বাবে আৰু ৫৮ ৰানৰ প্ৰয়োজন।

ooooo

সমাপ্ত